Year of publication 1950

# মরমর দাপালা

—উদ্ধব দাস—

## —ঃ স্নেহাশীষ ঃ—

——০ঃ)*(ঃ০——

মৰমৰ দীপক,

“মাজে মাজে দীপকৰ দীপ্তিৰ জিলিকনি লাগি মোৰ ভাবনাৰ আকাশত আপোনাৰ ‘আখৰ’ কেইটি; তিৰবিৰাই উঠে। সেই তিৰ্‌বিৰণি কোনোমতে ধৰিব নোৱাৰো। মই “মৰমৰ দীপালি” খন পঢ়ি সুখী হঁলো আৰু আপোনাৰ পৰিচয় পালো —ইতি

আপোনাৰ

এজন কমৰেড্‌

১।৭।৫০ ইং

## —— ০ঃ মোৰ নিজৰ কথা ঃ০ ——

—০ঃ)*(ঃ০—

এইখন লিখাত বহু কিতাপ আৰু বাতৰি কাকতৰ দুটি এটি শব্দৰ ছাঁ পৰি গৈছে। মই কোনো ৰাজনৈতিক দলৰ পক্ষপাতী হৈ এইখন লিখা নাই। কিন্তু আবেগৰ ধ্বনিক মই বাধা দি ৰাখিব নোৱাৰাৰ বাবে সামান্য পৰিমাণে ৰাজনীতিৰ ছাঁ পৰিছে।

"মৰমৰ দীপালি"ৰ চিঠিবোৰ প্ৰায় ভাগেই কাল্পনিক কিন্তু কিছুমান এজন বন্ধুৰ পৰা পোৱা সত্যৰ টোকা দিয়া হৈছে।

ৰাইজে দোষ, ভুল আঙুলিয়াই দি বাধিত কৰে যেন।

——জয়হিন্দ——

বিনীত——

ডম্বৰু দাস
গুৱাহাটী।

সাত জুন
উনিশ শ পঞ্চাশ চন

এইখন লিখা কাৰ্য্যত সহায় কৰোঁতা সকল—সুশীল দাস, কিশোৰী মোহন পাঠক, বিজু মেধী, হৃষীকেশ বৰুৱা।

আৰৌ

মহামানৱ লেনিন, ষ্টেলিন, মাওচেতুঙ, মহামানৱ গান্ধী, পণ্ডিত জৱহৰলাল নেহৰু আদিয়ে লিখা কেখনমান কিতাপৰ চাঁ মাজে মাজে লোৱা হৈছে।

## মৰমৰ দীপালি

"দুটি জীৱনৰ বিচিত্ৰ ঘাত প্ৰতিঘাত আৰু মানৱ চৰিত্ৰৰ সূক্ষ্ম বিশ্লেষণ মৰমৰ দীপালিৰ জন্ম"।

*　　　*　　　*

'মানুহৰ পৰিচয় একমাত্ৰ মানুহ

*　　　*　　　*

দুনিয়াৰ দুখীয়া মানুহ বলিৰ পঠা নহয়"

*　　　*　　　*

"মানৱ এটি জাতি ইয়াত নাই জাতি ভেদ।"

× — +

*   *   *   *

"দীপক এজন স্বদেশ প্ৰেমিক আৰু দীপালি এজনী কলেজৰ ছাত্ৰী। দীপক আৰু দীপালি সৰুকালৰ পৰা বন্ধু। দীপকে বিয়াল্লিছৰ বিপ্লৱত স্কুলৰ শিক্ষা ত্যাগ কৰে। সেইদিনা ধৰি দীপকে স্বদেশ সেৱাত ব্ৰতী হৈ আহিছে। দুয়ো সৰুৰে পৰা এক প্ৰাণ এক মন। চিঠি কেইখনৰ পৰা তেওঁলোকৰ বিষয় ভালদৰে পাঠক সমাজে বুজি পাব।"

এইখন পঢ়া হলে——

"মৰমৰ বাণী"

খন পঢ়িব।

# ওলাব ধৰিছে-

মৰমৰ বাণী পঢ়িলে আপুনি তাত পাব "নতুন যুগৰ সূচনা আৰু নতুন সুৰৰ বাজনা আৰু প্ৰাণত ছন্দ সনা ভাবৰ হিল্লোল অনা ৰচনা"।

—০ মিলন প্ৰকাশৰ প্ৰথম অৰ্ঘ্য ০—

একে লেখকৰে——

১। নতুন পথৰ সন্ধান ॥৵০

২। ফটোগ্ৰাফিৰ চমু পৰিচয় ॥০

যন্ত্ৰস্থ —

যমযৰ বাণী, নতুন লোকতন্ত্ৰ 'কল্পনাৰ ছবি' লেখক সুসাহিত্যিক—যতীন গোস্বামীৰ——

বৈ যোৱা নৈখন।

17/125

পোৱা ঠাই—দোষ্ট এণ্ড কোং
পানবজাৰ গুৱাহাটী

## দিপকৰ চিঠি

বৰপেটা
১০।১২।৪৯ইং

মৰমৰ দীপালী,

আজিৰ ডাকত তোমাৰ নীলাখামৰ চিঠিখন পাই সুখী হলোঁ। তোমালৈ উপহাৰ স্বৰূপে মই আবেগৰ ধ্বনি কেইটিমান আগ বঢ়াই দিলো। আশাকৰোঁ ইয়াকে তুমি সাদৰে গ্ৰহণ কৰিবা।

তুমি এতিয়া কলেজৰ প্ৰথম বাৰ্যিকত ভৰি দিলা আৰু কালি দেশৰ এজনী শিক্ষিতা নাৰী হৈ জ্বলি উঠিবা নহয় নে? মই অতীতৰ যি সৰ্ব্বহাৰা, বৰ্ত্তমানেও সেই সৰ্ব্বহাৰা হৈয়ে আছোঁ। আজি দুবছৰ আগৰ কথা—তুমি আৰু মই নদীৰ পাৰত বহি মেল পাতি থাকোঁতে তুমি মোক কৈছিলা "সুন্দৰৰ

আৰাধনা জীৱনৰ খেল।” আৰু কৈছিলা “শিল্পীয়ে যেনেকৈ অসাধ্যক সাধন কৰে আপুনিও কৰক।” আজি তোমালৈ চিঠি লিখিবলৈ ধৰাৰ লগে লগে সেই—অতীতৰ কাহিনী বোৰলৈ এবাৰ মনত পৰিছে।

মানুহৰ জীৱন ৰহস্যময়। মানুহ মানুহৰ নিমিত্তে; এইয়ে মানৱৰ ধৰ্ম্ম। মানুহে মানুহৰ কাৰণে যুগে যুগে ত্যাগ স্বীকাৰ কৰি আহিছে। মই তোমাৰ কাৰণে বহু ত্যাগ স্বীকাৰ কৰিছোঁ। সেইবোৰ তোমাক উন্নুকিয়াবৰ দৰ্কাৰ নাই। তুমি কৈছিলা “দাস, আপুনি অতীতক পাহৰি নোৱাৰ।”

সঁচা কথা, আমি কেতিয়াও অতীতক এৰি বৰ্ত্তমানক স্থান দিব নোৱাৰো। মোৰ মনত এতিয়া ৰাতিটো দিন আৰু দিনটো ৰাতি হৈ পৰিছে। তোমালৈ মই কেইটিমান উপদেশমূলক ৰাজনীতি, সমাজনীতি, অৰ্থাৎ মই ইমান দিন অনাই বনাই দেশৰ কাম কৰি কি বুজি পালো তাকেই লিখিম।

আমি আজি নামত স্বাধীনতা পাইছোঁ কিন্তু দৰাচলতে স্বাধীনতা কি বস্তু সেই বিষয়ে দেশৰ জন সাধাৰণে বুজিব পৰা নাই। অসমৰ এলৰ ভিতৰত পাচ জন ধনীৰ মনত স্বাধীনতাৰ আনন্দ আৰু চাৰিকুৰি পোন্ধৰ জন হালোৱা, হজুৱা, খেতিয়ক-বনুৱা, গৰীৱ ৰাইজৰ অন্তৰত দুখৰ জুই উমি উমি জ্বলি উঠিব ধৰিছে। জনসাধাৰণৰ মন আজি হতাশেৰে ভৰা। শোষণকাৰী কলা-বেপাৰীৰ অত্যাচাৰত দুখীয়া ৰাইজৰ গহীনতম হৃদয় কন্দত

সমাজতান্ত্রিক বিপ্লৱৰ চেতনা প্ৰেৰণাই উদীপ্ত হৈ নাচি উঠিছে। ৰাইজৰ শত্ৰু ৰাইজে ভালদৰে চিনি পাইছে। দুনীয়াৰ দুখীয়াও মানুহ; কলিৰ বলিৰ পঠা নহয়। ঠাইয়ে ঠাইয়ে সোনালী ধাননি পথাৰৰ পৰিৱৰ্ত্তে গৰীৱৰ বুকুৰ তেজেৰে ৰাঙলী হৈ পৰিছে। সৰ্ব্বহাৰা শ্ৰেণীয়ে আজি বিপ্লৱৰ কাৰণে সাজু হৈ পৰিছে। চীনত সৰ্ব্বহাৰা সকলৰ জয় হ'ল আৰু নতুন গণতন্ত্ৰই পৃথিবীৰ ৰাজনীতিৰ পাতত জন্ম ললে।

তোমাক মই অনুৰোধ কৰো তুমি আৰু তোমাৰ লগৰী বিলাকক আমাৰ আদৰ্শবোৰৰ দ্বাৰাই গঢ়ি তোলা আৰু নাৰী সমাজ উন্নত কৰা।

বহাগী বিহুৰ ৰং ধেমালি আজিও শেষ হোৱা নাই— ৰাইজৰ হিয়াত থকা আনন্দৰ ঢৌ মাৰ যোৱা নাই। এই সমাজৰ ইমান সৰহীয়া দুখীয়া ৰাইজৰ ভাগ্যত আজি মিলিছে অৰ্দ্ধাশন অনশন। যাতনা-লাঞ্চনা, আৰু নিৰ্য্যাতন; সেয়ে আজি মানৱ (?) জীৱনবোৰ জুকলা কৰি দিছে। মানৱৰ মানৱতা ধ্বংশ কৰি পশু শ্ৰেণীত ভুক্ত কৰিছে।

দেশ স্বাধীন হোৱাৰ লগে লগে গঢ়ি উঠা এদল স্বাৰ্থ লোভীয়ে দেশখনক ধ্বংশৰ পিনে আগুৱাই লৈ গৈছে। ঠাইয়ে ঠাইয়ে কৃষক, ছাত্ৰ-ছাত্ৰী জাগৰণ কিয় হৈছে? একমাত্ৰ কথা এই স্বাধীনতাৰ ওপৰত বিশ্বাস নোহোৱা হৈছে।

তুমি বা মই যি পথেৰে যাত্ৰা কৰিছো, সেই পথেৰে

আমি আগুৱান হৈ পৃথিবীক পুনৰ গঠন কৰিব লাগিব আৰু কৰিম। আমি যাত্ৰা কৰিছো সাম্ৰাজ্যবাদী বিশ্বযুদ্ধৰ পৰিসমাপ্তিৰ বাবে, এই যুদ্ধত জড়িত আছে লক্ষ লক্ষ জনগণ আৰু কৌটি কৌটি টকাৰ মূলধনৰ স্বাৰ্থ। মানবীয় ইতিহাসৰ শ্ৰেষ্ঠ বিপ্লৱ সংগঠিত নহলে এই বিশ্বযুদ্ধ প্ৰকৃত গণতান্ত্ৰিক শান্তিত পৰিসমাপ্তি নহয়।*

মই আশা কৰো তুমি সদায় দেশৰ জনতাৰ উন্নতি আৰু সমাজক নতুন গঢ় দিবলৈ দেহেকেহে লাগি থকা।

মোৰ চুৰণীবটীয়া অভিনন্দন গ্ৰহন কৰিবা।

তোমাৰ মৰমৰ

'দীপকদা'

## দীপালিৰ চিঠি

ৰূপকাৱেং

১৫।১।৫০ ইং

দীপকদা,

আপোনাৰ বহুমূলীয়া হাতৰ লিখনীখন পাই ৰং পালো। কিন্তু মই আপোনাৰ উপদেশ মতে কাম কৰিবলৈ অপাৰগ কিয়নো মোৰ জীৱনত মই কেতিয়াও ঘৰৰ বেৰখন ভাঙিব নোৱাৰো। সেইবোৰ বাদ দিয়ক।

* এইখিনি মহামানব লেলিনৰ "এপ্ৰিল থেচীচ"ৰ পৰা তুলি দিয়া হৈছে।

বহুদিনৰ সপোন এটিক দিঠকত পৰিণত কৰিবৰ কাৰণে ভগবানে এটি অতি অচিনাকী ল'ৰাক বন্ধু কৰি দিছিল। নিজৰ মনৰ লগত মিলাই দিয়াৰ কাৰণে নিজেই আত্মহাৰা হৈছিলো। কিন্তু এইটো মই জানো যে আপোনালোকৰ সপোন দিঠকত পৰিণত হলেও মোৰ নহয়; কাৰণ "লুইতেহে জানে বঠা কিমানলৈ বহে।" মই ইচ্ছা নকৰিলেও সময়ৰ সোঁতত আমাৰ বন্ধুত্ব ভাঙি চিঙি চুৰমাৰ হব। হাঁহিব ইচ্ছা কৰি থকাইতেও হাঁহিব।

শুনিব পাৰি সুখী হৈছোঁ আপুনি হেনো কথা-ছবি এখন তৈয়াৰ কৰিব খুজিছে। মই আশা কৰোঁ লাভৰ কাৰণে যেন কথা-ছবি তৈয়াৰ নকৰে। তেনেকুৱা আশাকৰাৰ মূল্য নাই। ধানৰ বেপাৰো তেনেহলে কৰিব পাৰি। কৃষ্টি লিখকৰ ভাষাত কব গলে—"সেই বস্তুটো কি, শিকিব লাগিব, বুজিব লাগিব আয়ত্ব কৰিব লাগিব।" তেতিয়াহে আপুনি আৰু মই অতীতত কৰা কল্পনা বাস্তৱত পৰিণত হব। ভালদৰে ভাবি চাব। অৱশ্যে উপদেশ দিয়া নাই। যিহেতু উপদেশ দিবৰ যোগ্যতাও নাই।

বহুলিখি আপোনাৰ বহুমূলীয়া সময় নষ্ট নকৰোঁ। নিশ্চয় আপোনাৰ পৰা খুব উৎসাহ দি লিখা এটুকুৰা কাগজ পাম। আপুনি হয়তো ভাবিব সিয়ে মোক M & B টেবলেটৰ দৰে সোনকালে গুণ দিব।

দেশৰ আভাষ দিবলৈ মই আপোনাক বিশেষ অনুৰোধ কৰিলো আৰু দুটিমান জাতীয় গান লিখি পঠাব মই অনাতাঁৰ কেন্দ্ৰত গাব লাগে।

মোৰ অন্তৰৰ প্ৰনাম গ্ৰহন কৰিব।

আপোনাৰ মৰমৰ
'দীপালি'

## দীপকৰ চিঠি

ভ্ৰাম্যমান শিবিৰ
২।২।৫০ ইং

মৰমৰ,

প্ৰথম চিঠি দিয়াৰ লগে লগে মই আত্মগোপন কৰিব লগাত পৰিলোঁ। বহুদিন পুলিচৰ চকুত ধূলি দি চলিলো। এক ফেব্ৰুৱাৰীৰ দিনা মোৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি হৈছে। এই সংবাদটো পাই টাউনৰ পৰা কোনোমতে পলাই সাৰো। আজি টাউনৰ পৰা তোমাৰ কোমল হাতৰ কোমল লিখনীৰ চিঠি পাই বনৰ মাজতো আনন্দ পাইছোঁ।

তোমালৈ লিখিম বুলি তুমি দিয়া "পাৰ্কাৰ" কলমটো হাতত তুলি লোৱাৰ লগে লগে অনুভৱ কৰিলো—কিবা যেন এটা দুৰ্ব্বলতা, কিবা যেন থাকিও নাই নাই। কিহবাৰ যেন প্ৰতিক্ষ্যাত আকুল। লগত আছে সমাজ, ধৰ্ম্ম, আচাৰ নীতি;

শ্ৰীমন্ত শঙ্কৰ দেৱৰ সাম্যবাদী ধৰ্ম্মৰ নামত আজি অসাম্য-বাদী শঙ্কৰী ধৰ্ম্মৰ প্ৰচাৰ চলিছে। দুখীয়াৰ হাতত আজি ধৰ্ম্ম নাই। ধৰ্ম্মও ধনী শ্ৰেণীৰ নিজা হৈ পৰিছে। আজি সমাজ শ্ৰেণীৰ সমাজ। শঙ্কৰী ধৰ্ম্মত আজি চলিছে শ্ৰেণী। অমুক জাতিৰ মানুহে সত্ৰৰ ভিতৰলৈ যাব নোৱাৰে, তমুক জাতিৰ মানুহে যাব পাৰে। ইত্যাদি ঘটনাৰ মূল কাৰণ হৈছে ধনতন্ত্ৰ। সেই কাৰণে ধনতন্ত্ৰ ধ্বংস নহলে সম্পূৰ্ণ সমাজতন্ত্ৰবাদ আহিব নোৱাৰে।

আমেৰিকা, ইংলণ্ড, ফ্ৰান্স, তুৰস্ক, ৰুচিয়া আদি দেশত পুৰুষৰ নিচিনা তিৰোতাবো সকলো ৰকমৰ স্বাধীনতা স্বীকাৰ কৰি লোৱা হৈছে। সেইবোৰ দেশত তিৰোতাৰ জীৱন কেৱল সংসাৰিক কাজ-কৰ্ম্মৰ ভিতৰতে সীমাবদ্ধ নহয়, তেওঁলোকে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষেত্ৰতো নিজ নিজ অধিকাৰ লাভ কৰিছে। আমাৰ সমাজত স্ত্ৰী জাতি বহু পিচ পৰি আছে। যি কোনো দেশৰ জাতি শিক্ষিত নহলে কেতিয়াও উন্নতি লাভ কৰিব নোৱাৰে। ৰুছিয়াৰ বিপ্লৱৰ যি সমাজতান্ত্ৰিক শাসন ব্যৱস্থা চলিছে, তাত তিৰোতাই সকলো ক্ষেত্ৰত নিজ নিজ অধিকাৰ লাভ কৰিছে আৰু পৃথিবীৰ নাৰীসমাজক দেখুৱাই দিছে—নাৰী জাতি পুৰুষতকৈ হীন নহয়। অসমৰ পিচ পৰি থকা নাৰী সমাজক তুমি জগাই দিবা বুলি মই আশা কৰোঁ। নাৰীজাগৰণৰ এটি বিপ্লৱ তুমি পৰিচালনা কৰিলে মই সুখী হলোহেতেন।*

---

* এটি হিন্দী প্ৰৱন্ধ ("নাৰীসমাজ")ৰ ছাঁ লৈ এইখিনি তুলি দিয়া হৈছে।

অস্পৃশ্যতাই হিন্দু সমাজক পঙ্গু কৰি পেলাইছে, অস্পৃশ্যতা ব্যাধি দূৰ নহলে জাতিৰ উন্নতি নহয়। মানুহৰ একমাত্ৰ পৰিচয় যে কেৱল মানুহ নামেই, এই কথা আজি স্বাধীন ভাৰতৰ প্ৰত্যেক জনসাধাৰণে ভালদৰে বুজি চাব লাগিব। তুমি শ্ৰেণী হীন সমাজ গঢ়িবলৈ গলে প্ৰথমে অস্পৃশ্যতাৰ বিপক্ষে আমাৰ সমাজৰ লগত ৰণ কৰিব লাগিব।

অস্পৃশ্যতা প্ৰকৃততে জাতিৰ উন্নতিৰ অন্তৰায় স্বৰূপ। ইয়াৰ দ্বাৰা হিন্দুজাতিৰ প্ৰকৃত উন্নতি আৰু বিচিত্ৰ গতিৰ স্বাধীনতাত বাধা পৰিছে। "লৰাই পানী পেলায়, ডাঙৰে পিচলি পৰে।" এই কথাষাৰৰ মৰ্ম্ম সাম্যৰূপে হলেও সম্প্ৰতি বহুতে বুজি পাইছে। আচলতে অস্পৃশ্যতা দূৰ কৰিব লাগিলে জাতিভেদৰ কঠোৰতা কমাব লাগিব। শিক্ষা-দীক্ষা, ধৰ্ম্মকৰ্ম্ম, আচাৰ নীতি আৰু বিধি ব্যৱস্থাৰ সংস্কাৰ কৰি নতুন সমাজ গঠন কৰিব লাগিব তোমলোকে—নহলে এই সমস্যাৰ সমাধান নহয় আৰু প্ৰকৃত সাম্যবাদ নাহে *।

ঘুনুকৰানাক্‌কৈ কথাছবি খনৰ কথা তুমিও শুনিলা, বেছ ভালেই হৈছে। কিন্তু দুখ লাগিল তুমি আজিও মোক বুজিব নোৱাৰাৰ বাবে। বাৰু সেইবোৰ যাবলৈ দিয়া—মোৰ অন্তৰত উদ্ভাসিত হোৱা সেই নাটক খনৰ বিষয় তোমাক কওঁ দেই। মই যি নাটকৰ কথাছবি

* এই খিনি "হৰিজন" নামৰ বাতৰি কাকতৰ সম্পাদকীয়ৰ পৰা তুলি দিয়া হৈছে।

কৰিম বুলি কল্পনা কৰিছো সেই কথাছবি খনৰ নাম "ৰঙা পতকা"। ইয়াত থাকিব অসমীয়া জাতিৰ কৃষ্টি মূলক তথ্যবোৰ আৰু থাকিব সৰ্ব্বহাৰা শ্ৰেণীৰ এটি বিপ্লবী জাগৰণৰ চিত্ৰ। কথাছবি মই বেপাৰৰ কাৰণে কৰিব খোজা নাই। এইখন গঢ়িব খুজিছো এটি মহান আদৰ্শত। এই বিষয় পিচত আৰু লিখিম।

মই নিজৰ শক্তিৰ বলত সাম্যবাদী সমাজ এখন গঢ়িবৰ কাৰণে আগবাঢ়ি গৈছো। ইয়াত বাধা বহুতো সেই বোৰলৈ মই কান চকু দিয়া নাই। বগলীয়ে যেনেকৈ ডোঁকাৰ ভিতৰত সাগৰ মহাসাগৰ পাৰ হৈ নিজ শক্তিৰ পৰিচয় দিয়ে, মইয়ো দিবৰ বাবে অপ্ৰাণ চেষ্টা কৰিম।

উত্তৰ দিবা মৰম লবা। মোৰ আন্তৰিক অভিনন্দন গ্ৰহন কৰিবা।

তোমাৰ মৰমৰ
দীপকদা

## দীপালিৰ চিঠি

গুৱাহাটী
৪।৪।৫০ইং

দীপক দা,

মোৰ পৰহিৰ পৰা জ্বৰ। সেইকাৰণে আপোনালৈ সময়-মতে চিঠি লিখিব নোৱাৰিলোঁ, সেইবাবে মোক বেয়া নেপাব

আৰু কৰ্ত্তব্যক হেলা কৰা বুলি ঘিণ নকৰিব। আপোনাৰ চিঠিৰ পৰা পোৱা উপদেশবোৰ বহুমূলীয়া।

ভাৰতীয়-তথা অসমীয়া নাৰী সমাজত বৰ্ত্তমানে জাগৰণ বা চৈতন্যৰ প্ৰয়োজন হৈছে সঁচা। আমি শতিকাৰ গেলা-পচা কুসংস্কাৰ আৰু অন্ধ বিশ্বাস ভৰিৰে মোহাৰি পেলাই আদৰ্শ নাৰীসমাজ গঠনত আগবাঢ়ি যাব লাগিব। অসমৰ নাৰীসমাজে **সৰ্ব্বভাৰতীয় গৌৰৱৰ** ভাগ লব লাগে, আৰু অতীতৰ বীৰ-ৰমণী **জয়া** আদিৰ গুণ গৰিমা আকৌ জ্বলাই তুলিব লাগিব।

আপোনাৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি হোৱা বাতৰি পাই মই বং পাইছো। মই বং পাইছো আৰু সুখী হৈছো, কাৰণ চৰকাৰে আপোনাক ভয় কৰিছে। মোৰ বোধেৰে চৰকাৰৰ এই নীতিয়ে তেওঁলোকৰ বিপদ আনিব। মিছাই সঁচাই বহু মানুহ আজি জেলৰ ভিতৰত নিকাৰ ভুঞ্জিব লাগিছে! কিন্তু সেই মানুহবোৰৰ কাৰণে স্থকীয়া বিচাৰলয়ত বিচাৰ কৰা নাই।

আজি অসমৰ সমস্যা বৰ জটিল। ধনীক শ্ৰেণীয়ে সাম্প্ৰদায়িকতাৰ বীজ অসমত সিচিলে। **কিন্তু অসমীয়া জনসাধাৰণ সদায় অসাম্প্ৰদায়িক।** হিন্দু মুছলমানৰ মিলিত জনমত নহলে ভাৰতে কোনো ক্ষেত্ৰত সাফল্য মণ্ডিত হব নোৱাৰে। আপুনি অসমত দেখা দিয়া সাম্প্ৰদায়িকতাৰ ক্ষুদ্ৰ গণ্ডি ভাঙিবলৈ অপ্ৰাণ চেষ্টা কৰাৰ বাবে মই আপোনাক শতবাৰ শলাগ

ললো। অসমত থকা মুছলমান ভাইসকল আৰু অসমবাসী হিন্দুসকলৰ মাজত জাতি ভেদ-বোলা কথাষাৰ সমূলি নাই। সেই বিষয় বহু পুৰণি যুগৰ প্ৰমাণ পাওঁ যেনে,—শইকীয়া, হাজৰিকা আদি মুছলমানৰ মাজত থকা উপাধিয়ে এটি আদৰ্শ -মিলনৰ চিন দেখুৱাই দি আছে।

মই আশা কৰোঁ এইবাৰ আপোনাৰ পৰা তথ্যপূৰ্ণ বহল উপদেশ পাম। মোৰ গা সবল হৈ উঠা নাই। সেই কাৰণে বহু কথা ইচ্ছা থকা স্বত্বেও লিখিব নোৱাৰিলো পিচত লিখিম। মোৰ অন্তৰৰ ভালপোৱা আৰু শ্ৰদ্ধাঞ্জলী গ্ৰহণ কৰি মোক আনন্দিত কৰিব বুলি আশা কৰি বাট চাই ৰলোঁ। —

—আপোনাৰ মৰমৰ—

'দীপালি'

## দীপকৰ চিঠি

৪।৫।৫০ ইং

ৰাতি ——

মৰমৰ,

তোমালৈ কি লিখিম মই ভাবি অপাৰ। চিঠিখন লিখিবলৈ

ধৰাৰ লগে লগে মনত পৰে তোমাৰ লগত আলোচনা কৰা কাহিনীবোৰলৈ; তুমি সদায় কৈছিলা "দাস আপুনি মানুহ হ'ক, ছুনিয়াত আপোনাৰ নাম জ্বলাই দিয়ক। আপোনাৰ বিশ্ববিদ্যালয়ৰ উপাধি নথকাৰ কাৰণে আজি সমাজে আপোনাক চিনিব পৰা নাই। আপোনাৰ উন্নতি হলে মোৰ মঙ্গল আৰু দুয়োৰে বন্ধুত্ব শান্তিৰে চলি থাকিব।" সেই কাহিনীয়ে মোক সদায় জোৰেৰে বিপ্লৱৰ পথলৈ টানি লৈ যাব ধৰিছে। দুখীয়া মানুহক ধনী শ্ৰেণীয়ে সদায় ঘৃণা কৰে আৰু দুখীয়াৰ কথাত মূল্য নাই বুলি ভাবে। আজি বহু সময় পোৱা বাবে বহু বিষয়ে তোমালৈ লিখিম।

পোণ প্ৰথমে তোমাক নতুন গণতন্ত্ৰৰ বিষয় আভাষ দিওঁ, কিয়নো আমাৰ ভাষাত এই বিষয় কোনো পাঠ্য-পুথি ছপা হোৱা নাই। সম্পূৰ্ণ নতুন ৰাষ্ট্ৰ সংজ্ঞা আৰু কৰ্ম্মসূচী লৈ আমাৰ আগত "নতুন গণতন্ত্ৰ" উপস্থিত হৈছে। যুগোশ্লাভিয়া, বুলগেৰিয়া, আলবেনিয়া আৰু লালচীনে এই মতবাদৰ প্ৰতিফলিত ৰূপ। আজি এবছৰে এই নতুন "থিয়োৰীক" কেন্দ্ৰকৰি যথেষ্ট তৰ্ক যুদ্ধ চলিব ধৰিছে। আন্তৰ্জ্জাতিক কমিউনিষ্ট আন্দোলনৰ লগত যাৰ কিছু পৰিমাণে পৰিচয় আছে; তেওঁলোকে ভালদৰে জানে, দুনিয়াৰ সকলো কমিউনিস্টৰে নতুন গণতন্ত্ৰৰ ব্যাখ্যাবোৰ সম্পূৰ্ণ একমতৰ নহয়। ইউজীন ভৰ্গা, জেমচ্ এ্যালেন, ডিমিট্ৰভ, ঝদানভ হ্যাৰী. পলিট আৰু মাওচে-টুনে প্ৰত্যেক অন্য অন্য

ৰূপেৰে নতুন গণতন্ত্ৰৰ ব্যাখ্যা কৰিছে। তেওঁলোকে ডাঠি কয় —নতুন গণতন্ত্ৰৰ লক্ষ্য সমাজবাদ আৰু লাহে লাহে নতুন গণতন্ত্ৰই সমাজবাদৰ পিনে আগুৱাই যাব ধৰিছে।

মাৰ্কসবাদ, লেলিনবাদ শ্ৰেণীবৈষম্য আৰু শ্ৰেণী স্বাৰ্থৰ পৰিপ্ৰেক্ষিত আৰু পটভূমিকাত গণতন্ত্ৰ বিচাৰ কৰে। ৰাষ্ট্ৰটি সংঘাতশীল শ্ৰেণীত বিভক্ত আৰু শাসন আৰু শোষণৰ যন্ত্ৰ মাথোন। মাওচে-তুনে তেওঁৰ নতুন গণতন্ত্ৰ নামৰ নামৰ কিতাপ খনিত লিখিছে— এই নতুন গণতন্ত্ৰ হব অভিনব আৰু সম্পূৰ্ণ নতুন ধৰণৰ গণতন্ত্ৰ। চীনৰ নতুন বুৰঞ্জীয়ে ইয়াক জন্ম দিব।" নতুন গণতন্ত্ৰ আৰু মাৰ্কসবাদৰ তুলনা কৰি মই এখন কিতাপ লিখিছোঁ। মোৰ হাতত টকা পৰিলে ছপা কৰি উলিয়াম। তাৰ পৰা এই বিষয় তন্ন তন্ন কৰি জানিব পাৰিবা। আজি নতুন গণতন্ত্ৰৰ বিষয় এই খিনিতে সামৰণি মাৰিলোঁ।

কথাচবি খনৰ বিষয় মই তোমাক সামান্য আভাষ দিওঁ। কথাচবি খনৰ গঢ় মই এতিয়া দিব নোৱাৰাত পৰিলো। মোৰ সকলো কল্পনাত মামৰে ধৰিলে। যেতিয়া মুকলি মুৰীয়া হৈ উঠিব পাৰিম তেতিয়াহে বোধহয় কথাচবি গঢ় দি তুলিবলৈ চেষ্টা কৰিম। কিন্তু এই সময় চোৱাত যদি উপযুক্ত মানুহ বিচাৰি পাওঁ তেনেহলে তেওঁকে মোৰ কল্পনাটিক গঢ় দিবলৈ দিম। সঁচা কথা কবলৈ গলে কথাচবি বিয়য়ত অসম ভালেমান পিচপৰা বৰ অপৈণত। অপৈণত হোৱাৰ প্ৰধান কাৰণ হৈছে অসমত ষ্টুডিও নাই।

আন আন প্ৰদেশতকৈ অসমত খুব কম খৰচতে ষ্টুডিও এটি তৈয়াৰ কৰিব পাৰি। কিন্তু উপযুক্ত ডেকা কৰ্ম্মী আজিলৈ ওলোৱা নাই। যি কেইজন ডেকা বাহিৰ হৈছিল, সেই কেই-জ'না সময়ৰ সোঁতত উটি গ'ল। অসমৰ গুণী শিল্পী আৰু কৃষ্টিবীৰ কেইজনমানে ৰাজনীতিত যোগদান কৰাৰ বাবে অসমত কৃষ্টি বিষাৰদ নোহোৱা হৈ পৰিছে। অসমৰ বহু পুৰণি নৃত্য লোপ হৈ যাব ধৰিছে। উদয় শঙ্কৰে অসমৰ বহু নৃত্য উদ্ধাৰ কৰিছে আৰু দেশে-বিদেশে প্ৰচাৰ কৰিছে। কিন্তু তাত অসমৰ নাম জ্বলি উঠা নাই। শ্ৰীমন্ত শঙ্কৰদেৱৰ ওজাঁপালি নৃত্য আৰু পুৰণি অসমীয়া জাতিৰ সভ্যতাৰ চিন স্বৰূপে দেওঁধাই, নগানাচ, কছাৰি নাচ, বিহুনাচ, গাওঁলীয়া নাচ আদি জিলিকি আছে। বৰপেটা সত্ৰৰ বৰ বাহাৰ উপৰি পুৰুষৰ লিখনিৰ পৰা আজি কিছুদিন আগেয়ে কেইটিমান নৃত্য আবিস্কাৰ কৰা হৈছে। তাৰ ভিতৰত ভোৰতাল নৃত্যটোৰ ভিতৰত বহু তথ্য পোৱা যায়। ভোৰতাল নৃত্যটি হৈছে—নাম কীৰ্ত্তন কৰাৰ সময়ত তাল কেনে-কুৱা ধৰণেৰে বজাব পাৰি বা লাগে। তাকে মুদ্ৰাৰ আকাৰত ৰূপান্তৰ কৰি নৃত্যত ৰূপ দিয়া হৈছে। ঠিক এনেকুৱাকৈ দুটি এটি পুৰণি গীত পোৱা যায়; সেইবোৰ গীতৰ পৰা এটি অনুমান কৰিব পাৰি যে সেইবোৰ গীত নৃত্যৰ লগত গোৱা হৈছিল। এইটো কথা ঠিক পৃথিবীৰ কোনো বস্তু নতুন নহয়। পুৰণি বস্তুৰ পৰা ৰূপান্তৰ হৈ নতুনত পৰিণত হয়। আমাৰ অসমত

নৃত্য আৰু সঙ্গীতেৰে ভৰপুৰ হৈ আছে ; কেৱল তাক আবিস্কাৰ কৰি প্ৰচাৰ কাৰ্য্য চলাব লাগে। এইখিনি কৰিলে আমি অসমৰ গৌৰৱ দেশ-বিদেশত উজ্বলাই দিব পাৰিম। আজি মনত পৰে কলিকতালৈ যোৱা অসমীয়া ডেকাৰ নৃত্য দলটিলৈ। তেওঁলোকে কলিকতাত অসমীয়া জাতীৰ মান, গৌৰৱৰ ভালেখিনি চিনাকি দি আহিছে। উদয় শঙ্কৰ, কে আদি কৰি বহু কলা বিশাৰদে অসমীয়া দলটোক আৰু অসমীয়া জাতীৰ এই নৃত্যবোৰ চাই শলাগ লৈছিল। কিন্তু কালৰ লিখনীমতে তেওঁলোকে কলিকতাৰ পৰা আকৌ অসমলৈ উভটি আহে। সহায় সহানুভূতি মানৱ জীৱনৰ উন্নতিৰ—প্ৰতিভাবিকাশৰ মেৰু দণ্ড। এই নৃত্যৰ দলটিয়ে বাইজৰ পৰা সহায় নোপোৱাৰ ফলত এনেকুৱা অৱস্থাত পৰিল।

মই আশাকৰো তুমি নতুন যুগৰ নতুন প্ৰেৰণা লৈ আগবাঢ়ি আহিবা। সদায় মনত ৰাখিবা—'বিপ্লৱ নহলে পৰিবৰ্ত্তন হব নোৱাৰে'। পৰিবৰ্ত্তন নহলে দেশ আৰু সমাজৰ উন্নতি নহয়। উন্নতি হব লাগিলে পৰিবৰ্ত্তন হব লাগিব। নতুন ভাব ধাৰাৰে নতুন ৰূপ লৈ, নতুন আকৰ্ষণত সজাগ হৈ উঠা। আজিৰ যুগত প্ৰত্যেক মানুহৰ প্ৰাণত আত্মচেতনা, আত্মবিশ্বাসৰ জিলিঙনি পৰি গোটেই সমাজখনকে অতুষ্ট কৰি তুলিছেহি। প্ৰত্যেক মানুহে আজি অনুভৱ কৰিছে স্বাধীনতা কি ? স্বাধীনতা আমাক কিয় লাগে বা কেনেকুৱা স্বাধীনতাৰ দ্বাৰাই সমাজৰ শান্তি হব

পাৰে। মোৰ হিয়াৰ মৰম লবা। উত্তৰ দিবা।

তোমাৰ অতি মৰমৰ
'দীপকদা'

## দীপালিৰ চিঠি

গুৱাহাটী
৭।৬।৫০ ইং

দীপকদা,

আপোনাৰ বহুমূলীয়া চিঠিখন পাই বং পালো। চিঠিখনে মোক কেইবাটিও জানিব লগীয়া বিষয়ৰ আভাষ দিলে। মই বৰ্ত্তমান মানসিক অশান্তিত ভুগিব ধৰিছো। মোৰ পৰীক্ষা ভালদৰে শেষ হৈ গ'ল। মোৰ প্ৰাণৰ ঝঙ্কাৰৰ ঢৌৱে কোন-দিনাখন আপোনাৰ ওচৰ পায়গৈ কব পৰা নাই।

কথাছবি কোম্পানীৰ কাম সুচাৰু ৰূপে চলি আছে। সেই বিষয় আপুনি কোনো চিন্তা নকৰিব। মই সদায় অফিচলৈ যাওঁ আৰু কোম্পানীৰ কামত মোৰ শক্তি অনুযায়ী সহায় কৰো।

"অল ইণ্ডিয়া ৰেডিও"ৰ গুৱাহাটী কেন্দ্ৰত মই আপোনাৰ গান দুটি যোৱা সপ্তাহত গালো। এই গান দুটিয়ে মোৰ নাম

এখোপ আগবঢ়াই দিছে। আশাকৰো আকৌ কেইটিমান গান স্বৰলিপি সহকাৰে পঠাই দিব।

আজি মই আপোনালৈ কোনো বিষয় লিখিব নোৱাৰিলো। কাৰণ চিঠি লিখিম বুলি কলম হাতত লোৱাৰ লগে লগে মই চিন্তাৰ ৰাজ্যত গৈ পৰিলো। সেই চিন্তাই মোক চিঠি লিখাত পৰাজয় কৰিলে।

দেবেন. গোকুল, কমল, দ্বীজু, বৰুৱা ভূবন আদিৰ সংবাদ পঠাই সুখী কৰিব। এইবাৰ সুন্দৰ সুন্দৰ বিষয় কেইটামান লিখিব বুলি আশাকৰি থাকিলো। ভ্রমণ কৰা ভাল নে বেয়া জনাব! বেয়া নেপাব। মোৰ সেৱা লব।

দেশ-বিদেশৰ সংবাদেৰে আপোনাৰ শলাগৰ ৰচনা খনিলৈ বাট চাই থাকিলোঁ।

আন্তৰিক অভিনন্দন গ্রহন কৰিব।

আপোনাৰ চেনেহৰ—
"দীপালি"

## দিপকৰ চিঠি

৮।৬।৫০ ইং

মৰমৰ দীপালি,

তোমাৰ পত্ৰখন ঘূৰাই পকাই কেইবাবাৰো পঢ়িলো আৰু

সকলো বিষয় ভালদৰে বুজি পালো। লক্ষ্যভেদ কৰিবলৈ হলে অন্তৰৰ শক্তি জগাই তুলিব লাগে। তেনেহলে কৃতকাৰ্য্যতা লাভ কৰিব পাৰি। জীৱনৰ শক্তিয়ে উন্নতশীল কৰি গঢ়ি তোলে। শক্তিৰ দ্বাৰাই শক্তিক জয় কৰিব পাৰি। মনত এক আৰু পেটত এক ভাবৰ প্ৰেৰণা লৈ স্বদেশ সেৱাত ব্ৰতী হব নালাগে। মানুহে যেতিয়া সত্যৰ পথলৈ আগবাঢ়ি যায় তেতিয়া তাৰ গাত শত সহস্ৰ ধুমুহাৰ সোঁত আহি পৰে। পৰ্ব্বত পাহাৰ, আগত আহি ঠিয় দিয়ে। কিন্তু দীপালি তুমি সেই পাহাৰ, সেই বাধাক তোমাৰ কৰ্ত্তব্যৰ বাবে হেয় জ্ঞান কৰি উফৰাই দিব লাগিব। প্ৰত্যেক মানুহ আৰু প্ৰাণীৰ গাত এটি চিন্তাৰ বেতাৰ যন্ত্ৰ আছে। সেই কাৰণে চিন্তা নকৰাকৈ কোনো কামলৈ আগবাঢ়ি আহিব নালাগে। চিন্তাই জগতৰ মেৰুদণ্ড। সেই কাৰণে প্ৰত্যেক কাম চিন্তা কৰিহে কৰিব লাগে। চিন্তাৰ একগ্ৰতা শক্তি বৃদ্ধি কৰি তাৰ দ্বাৰাই অসাধাৰণ কামবোৰত সফলতা লাভ কৰিব পাৰি।

আজি তোমালৈ সঙ্গীতৰ বিষয় অলপমান লিখো দেই। সঙ্গীতক তুমি নিজেও ভাল পোৱা আৰু তুমি এজনী অসমৰ বিখ্যাত গায়িকাও। নৃত্য-গীত আৰু বাদ্য এই তিনিটিৰ মিলনতে ভাৰতীয় সঙ্গীতৰ সৃষ্টি। অন্যান্য দেশৰ লগত ভাৰতীয় সঙ্গীতৰ তফাৎ বাদ্য লৈ, সঙ্গীতত বাদ্য অপৰিহাৰ্য্য। বাদ্য অৰ্থাৎ চৰ্ম্মযন্ত্ৰৰ সহযোগত; সংগত সুৰৰ বৈশিষ্ট্য আৰু মাধুৰ্য্যক বিশেষ ভাৱে প্ৰকাশ কৰাত সাহাৰ্য্য কৰে, এই কথা

171250



LIBRARY

স্বীকাৰ নকৰিব নোৱাৰি। পাশ্চাত্য সঙ্গীতৰ লগত কোনো ৰকম মিল নাই। ঐক্যতান বাদনৰ লগতি কোনো সময়ত পাশ্চাত্য সঙ্গীতৰ 'ড্ৰাম'ৰ ব্যৱহাৰ দেখা যায়। কিন্তু ড্ৰাম বাজনা আৰু ভাৰতীয় সঙ্গীতৰ সংগতৰ মত, বিভিন্ন তাল আৰু লয়ৰ সূক্ষ্ম কথা লৈ ড্ৰাম বাজানাত মূৰ ঘমাবৰ দৰকাৰ নাই। ড্ৰাম বাজনাৰ কিছুমান আমাৰ দেশৰ ঢাক বাজনাৰ নিচিনা। আমাৰ সঙ্গীত অতি প্ৰাচীন কালৰ আৰু বাজানাবোৰও অতি প্ৰাচীন যুগৰ। মৃদঙ্গ নামৰ বাজনাটোৰ পৰা বুজিব পাৰি বহুখিনি পুৰণা কথা। মৃৎ+অঙ্গ=মৃদঙ্গ। প্ৰথমে মাটিৰ দ্বাৰাই তৈয়াৰ তাৰ পাচত কাঠলৈ ৰূপান্তৰ কৰা হল। সভ্যতাৰ ক্ৰমোন্নতিৰ লগে লগে যন্ত্ৰবিলাকৰো পৰিবৰ্ত্তন হৈ পৰিছে। মৃদঙ্গৰ বৰ্ত্তমান যুগৰ নাম হৈছে তব্‌লা। মৰমৰ দীপালি! সেই কাৰণে আজি সঙ্গীত উন্নত হৈ পৰিছে। সেই কাৰণে লাগে পৰিৱৰ্ত্তন পৰিৱৰ্ত্তনে উন্নতিৰ মূল। সঙ্গীতৰ কথা এই খিনিতে সামৰণি মাৰিলো।

তুমি মোক সুধিছা ভ্ৰমণ কৰা ভাল নে বেয়া? ভ্ৰমণে জীৱনৰ পৰিৱৰ্ত্তন আনি দিয়ে। ই মানুহক জ্ঞানী কৰে। মই ভ্ৰমণ কৰিহে বহু বিষয়ত জ্ঞান আৰু শিক্ষা লাভ কৰিছো। কিতাপ পঢ়ি বা মানুহৰ মুখত শুনি নহয়। সেই কাৰণে তোমাক ভ্ৰমণ কৰিবলৈ উপদেশ দিওঁ। ভ্ৰমণ কৰা ঠাইবোৰৰ মানুহৰ আচাৰ ব্যৱহাৰলৈ আৰু ঠাই ডোখৰৰ প্ৰাকৃতিক চিত্ৰ-

বোৰলৈ। ভ্ৰমণৰ লগে লগে কিতাপ লিখিবলৈ যত্ন কৰিবা। যদি পাৰা এটি "কেমেৰা" লগত লৈ যাবা। কিয়নো প্ৰত্যেক ঠাইৰ পৰা চিত্ৰ ললে, কেতিয়াবা সেইবোৰ তোমাৰ কামত আহিব।

তোমাক মই কিমান ভাল পাওঁ, সেই বিষয় মই নিজে কবলৈ অপাৰগ। যদি মই অতীতৰ হনুমান হলোহেঁতেন, তেনেহলে হনুমানে যেনেকৈ বুকু ফালি ৰামৰ নাম দেখুৱাই দিছিল মইও বুকু ফালি বুকুত লিপিত থাই থকা তোমাৰ তিনিটি আখৰ দেখুৱালোহেঁতেন। তোমাৰ এটি দোষ আজিও মাৰ নগল। সেই দোষটো হৈছে তুমি বৰ চঞ্চল আৰু অন্ধবিশ্বাসী। মই জনাত তোমাৰ প্ৰত্যেক জনী লগৰী আশাৰ লগৰী মাথোন। প্ৰকৃত লগৰী নহয়। আৰতীৰ পৰা তোমাৰ বিশ্বাসী আৰু চেনেহৰ লগৰীৰ দলটোৱে এতিয়া গোপন কথা কবলৈ এৰিছে আৰু তোমালোকৰ এটি বিশেষ কিবা উৎসৱত সেই দলটোৱে যোগ নিদিলে আৰু নিমন্ত্ৰণ খাবলৈ নগল। সেই বিষয় তুমি এতিয়াও অনুভৱ কৰিব পৰা নাই। ভাৰতীয়ে তোমাৰ চেনেহৰ লগৰী কেইজনমানৰ বিপক্ষে C I. D. গিৰি কৰিছিল, সেইকাৰণেই উক্ত দলৰ সভ্যসকলে ঘিণ কৰে আৰু আৰতি জড়িত থকা কোনো কামলৈ তেওঁলোকে নেযায়। সময় থাকোতে সাৱধান হোৱা দৰ্কাৰ। আৰতিৰ পৰা তোমাৰ ভৱিষ্যত একো নাই। কিন্তু আন আন বান্ধৈ কেইজনৰ পৰা বহু

আশা কৰিব পাৰি। কাৰণ তেওঁলোক শ্ৰেষ্ঠ মানৱী। বুজি লবা আৰু দকৈ চিন্তা কৰিবা। আৰতিৰ লগত তুমি বন্ধুত্ব পতাৰ লগে লগে তোমাৰ কেইটিমান বিশেষ সুবিধা নষ্ট হৈ গল.। দাসৰ খবৰ কেনেকুৱা আৰু কি কাম কৰি সময় কটাইছে মোক জনাবা দেই।

দেৱেন এইবাৰ বি, এ, দি মোৰ লগতেই কাম কৰিছে। গোকুলে বৰ্ত্তমান সংসাৰী হৈ পৰিছে। কমলে কবিতা লিখাতে ব্যস্ত হৈ পৰিছে। কবিবিলাক সদায় ভাবুক। কমলেও সদায় ভাবিয়ে কাল কটাব। দ্বীজুই এইবাৰ ডাক্তৰি পঢ়িব যাব। বৰ্ত্তমান টাউনতে আমাৰ কামত সহায় কৰি আছে। বকুৱাই এইবাৰ আই, এ, দিছে। তোমালৈ আজি বহু বাজে কথা লিখিলো।

পৃথিবীজোৰা শীতল যুদ্ধ আৰু আমেৰিকা বৃটিছ আদিৰ উগ্ৰ সাম্ৰাজ্য লালসাই জগতত ভয়াবহ ৩য় মহাযুদ্ধৰ আগ-জাননী দিছে। বোধহয় অচিৰে মহাযুদ্ধই মেঘৰ আঁৰৰ পৰা ওলাই পৰিব। আৰু অসমৰ ভৌগোলিক পৰিস্থিতিয়ে বিপদ আসন্ন কৰি তুলিছে—গতিকে সময় থাকোতে অসমৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অসমভূমিৰ কাৰণে সাজু হব লাগে এতিয়াৰ পৰাই।

দীপালি, সদায় মনত ৰাখিবা তলত দিয়া কবিতা ফাঁকি—

"অগ্নি যুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম

আমাৰ বাহিৰে আনে অসম গঢ়িব নোৱাৰে। আমি পুৰণি সোনৰ অসম আকৌ পাতিম আকৌ গঢ়িম। এইখিনি কথা লিখাৰ লগে লগে এটি কবিতা মনত পৰে সেইটো হল এই—

"সাগৰ তলিত থকা শিল
আনিব লাগিব ভাঙিব লাগিব
পাতিব লাগিব
কাৰাগাৰ।"

যদি তুমি সময় পোৱা তেনেহলে এই চিঠি পোৱাৰ লগে লগে তুমি মোক এবাৰ দেখা কৰিবা। তোমাক চাবলৈ মোৰ বৰ ইচ্ছা। যদি সুবিধা হয় তেনেহলে আহিবা।

মই সুখতে আছোঁ, কিন্তু আত্মগোপন কৰি থকা বৰ টান কাম। তাতকৈ টান কাম স্বদেশ সেৱা কৰা। মদৰ যেনেকুৱা নিছা ৰাজনীতিৰো ঠিক তেনেকুৱা নিছা। মদপী মদ নোখোৱাকৈ এদিনো থাকিব নোৱাৰে ঠিক তেনেকৈ ৰাজনীতি প্ৰিয় মানুহে ৰাজনীতি এৰিব নোৱাৰে।

তোমাক মই এটি উপদেশ দিওঁ তুমি সৰু সৰু লৰা ছোৱালীবোৰক নিজৰ দেশক আৰু জাতিক ভাল পাবলৈ শিকাবা। সিহঁতক স্বাধীন চিন্তা কৰিবলৈ বাট লগাই দিবা। আমাৰ দেশৰ লৰা ছোৱালীবোৰক জন্ম দিনৰ পৰাই দেশখনৰ কথা শিকাবলৈ চেষ্টা কৰিবা।

মই এটি কবিতা তলত লিখি দিলো তুমি তোমাৰ নামত

প্রকাশ কৰিবা। হেলা নকৰিবা দেই। কবিতাটো কবি নজ-ৰুলৰ অনুবাদ।

"মই উল্কা
মই শনি
মই ধুমকেতু
মই বিষধৰ
নামানো আইন কানুন
নামানো অন্যায়—
কৰিম বিদ্ৰোহ
জ্বলাল অগনি
মই চিৰ বিদ্ৰোহী বীৰ
মই কৰিম উন্নত শিৰ
বিদ্ৰোহ !
বিদ্ৰোহী মই
চূৰ্ণ বিচূৰ্ণ কৰিম
(দুনিয়াৰ) অন্যায় অবিচাৰ——
ধৰ্ম্ম মোৰ বিদ্ৰোহ—।
আগবাঢ়ি যাম
অন্যায় সমাজ ব্যৱস্থা
ৰাষ্ট্ৰৰ যি শোষণ যন্ত্ৰ
ধৰ্ম্মৰ যি ভণ্ডামি

ধ্বংস করি পেলাম।
আগবাঢ়ি যাম——
নতুন সমাজ
গঢ়িম ।
মই চিৰ বিদ্রোহী—।’ *

এই কবিতাটো আজি ছুপৰীয়া শুই থকা অৱস্থাত মোৰ মুখৰ পৰা ওলাই পৰে ।

কবিতাটি মোৰ খুব ভাল লাগে—কাৰণ মোৰ অন্তৰৰ ভাবধাৰাক ফুটাই তুলিছে কবি নজৰুলে তেখেতৰ এই কবিতাটিৰ মাজেৰে । সেই কাৰনেই মই কবিতাটি খুব ভাল পাওঁ আৰু ভাল পাওঁ নজৰুলক——

দীপালি ! এই সংসাৰত আজি ধৰ্ম্মৰ প্ৰচাৰ চলিছে, সেইটো মাথোন শোষণৰ যন্ত্ৰ । আমি বা তুমি এই শোষণৰ ভণ্ডামী ধৰ্ম্ম ধ্বংস কৰিব লাগিব ।

দীপালী ! সুশীল আৰু মহাদেৱৰ বিষয় পিচৰ চিঠিত লিখিম । গৰমৰ উৎপাপাতত চিঠি লিখিব নোৱাৰিলো । আশা-কৰো তোমাৰ কোমল হাতৰ আখৰ ছুটি সোনকালে পাম ।

মোৰ অন্তৰৰ আশীৰ্ব্বাদ গ্ৰহণ কৰিবা দেই ।

তোমাৰ মৰমৰ
‘দীপকদা’

* এইটো ‘‘ভাৰত চোভিয়েট মধ্য এচিয়া নামৰ কিতাপত থকা বঙালী কবিতা এটিৰ অনুবাদ ।

# দীপালিৰ চিঠি

গুৱাহাটী
৯।৬।৫০ ইং

দীপকদা,

ওৰে ৰাতি আপোনাক সপোনত দেখি থাকো। আপুনি মোক মানুহৰ শ্ৰেণীলৈ জোৰেৰে টানি আনিলে। তাৰ বাবে মোৰ গোটেই জীৱনটো আপোনাৰ ওচৰত ধৰুৱা।

মই আশাকৰো আপুনি এইবাৰ সৰ্ব্ব প্ৰথম গণভোটত ঠিয় দিবা মই এই বিষয়ত যাবতীয় ভাৰ লম। বিশেষকৈ মই নিৰ্ব্বাচনৰ প্ৰচাৰ সচিব হম। এই বিষয় আপুনি কি ভাবিছে জনাব। বৰ্ত্তমান আপোনালোকৰ সংগঠনৰ কাম কেনে-কুৱা আৰু কি ভাবে চলিছে জনাব। গাওঁবিলাকত বৰ বেচিকৈ চুৰি ডকাইতি হৈছে; ইয়াৰ কাৰণ কি? তিব্বত আৰু ব্ৰহ্মদেশৰ অৱস্থা কেনেকুৱা? বৰ্ত্তমান ক্ষেত্ৰত জাতীয়তাবাদৰ কথা ভাটৌ পৰা দি ভাৰতক বিচ্ছিন্ন কৰি দুৰ্ব্বল কৰিবলৈ যত্ন কৰা প্ৰতি-ক্ৰিয়াশীল লোকসকলৰ প্ৰতি আপোনাৰ মনোভাৱ কি? অসম জাতীয় মহাসভাৰ মতৰ লগত আপোনাৰ মত মিলেনে? এই আটাইবোৰ প্ৰশ্নৰ উত্তৰ আপুনি মোক দিলে মই চিৰ সুখী হম।

আপোনাৰ সৰুকালৰ স্বভাৱ এটিলৈ বৰ ভয় লাগে। সেইটো হৈছে আপুনি বৰ জেদী। আপোনাক যদি কোনো-বাই অন্যায় বা বিশ্বাসঘাটকতা কৰে তেনেহলে আপুনি যুগ যুগ

ধৰি তাৰ প্ৰতি লক্ষ্য ৰাখে। এটি কথা আঙ্গুলীয়াই দিলো— "আপুনি এদিন বিভূক এটি কামৰ বাবে অনুৰোধ কৰিছিল। কিন্তু বিভূই সেই কাম নকৰিলে। জীৱনত এইটো ই আপোনাৰ প্ৰথম পৰাজয় বুলি আপুনি তাৰ লগত বন্ধুত্ব বজাই ৰাখিও তাক জগতৰ পৰা চিৰ বিদায় দিলে এটি আচৰিত কৌশলৰ দ্বাৰাই। মই আপোনাক অনুৰোধ কৰো আপুনি যেন এই দোষটো মুচি পেলায়। এই খিনিৰ বাবে মোক আপুনি ক্ষমা কৰিব।

আপুনি বৰ খৰছী; কিন্তু আনপিনে আপোনাৰ টকা পইচা এটিও নাই। সেইবাবে বিপদত আনক উপকাৰ কৰিব গৈ নিজে বিৰাট বিপদত পৰে। উপকাৰীক অজগৰে খায়। এইটো বানী সদায় মনত ৰাখিব। "দিনটো যায় ক্ষণটো নেযায়।" প্ৰতি খোজে খোজে আপোনাৰ বিপদ। সেইবাবে সদায় সাৱধান আৰু সজাগ হৈ ফুৰিব।

আপোনাৰ কবিতাটি ৰামধেনুত প্ৰকাশ কৰিবলৈ পঠাই দিছোঁ। পিচে এটি কথা আমাৰ অসমীয়া আলোচনীবোৰত নতুন লিখাৰুৰ স্থান নাই। কিয়নো আলোচনীৰ সংখ্যা বৰ কম। সেই অনুপাতে লিখকৰ সংখ্যা বহু গুণে বেচি। তাৰ ভিতৰত ডিগ্ৰী থকা আৰু পুৰনি নাম থকা লিখকসকলক স্থান দিবলৈয়ে নাটে। সেইবাবে নলিখাৰুৰ লিখাবোৰ মূল্য হীন হৈ "বাচকেটত" পৰি থাকে। কিন্তু আপোনাৰ কবিতা নিশ্চয় প্ৰকাশ হব। "কামনাদেৱী"ৰ নামত প্ৰকাশ হব। প্ৰকাশ

পোৱা আলোচনীখন মই পাঠাই দিম।

আজিলৈ এই খিনিতে সামৰণি মাৰিলো মোৰ হিয়া ভৰা মৰম লব।

উত্তৰলৈ হেপাহ কৰি থাকিলো।

আপোনাৰ মৰমৰ
'দীপালি'

## দীপকৰ চিঠি

বহুৰাতি
১০।৬।৫০ ইং

মৰমৰ দীপালি,

মায়া মৰিচিকাৰ জগতখন এৰি কুঞ্জকাননত বাস কৰিছো সেই কুঞ্জকাননত তোমাৰ আৰু মোৰ মিলনৰ বন্তিৰ দীপ্তিৰ জিলিকনি লাগি কুঞ্জকাননে এক নব ৰূপত ৰূপান্তৰ হৈ উঠিছে। মোৰ সাধ্য অনুসাৰে তোমাৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ যত্ন কৰিলো। আজি কেইদিনমানৰ পৰা মই বৰ জুলুমত আছো। সঁচাকৈয়ে দীপালি! বিপদ অকলে নাহে। মানুহৰ যেতিয়া বিপদ আহে তাৰ সকলো পিনৰ পৰা আহে।

তুমি লিখিছা মই অহা নির্ব্বাচনত M. L. A পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব লাগে। তুমি বোধহয় জনা নাই যে এই নির্ব্বাচন একমাত্ৰ ধনী শ্ৰেণীৰ কাৰণে। কাৰণ তেওঁলোকৰ টকা আছে আৰু টকাৰ গুণতে সকলো দলক তেওঁলোকে পৰাজয় কৰিব পাৰে। সেই কাৰণে আমি আমাৰ সংগঠনৰ দ্বাৰা এই ধনতন্ত্ৰবাদ ধ্বংস কৰিব লাগিব, তেতিয়াহে প্ৰকৃত গুণীসকলে M. L. Aৰ কাৰণে ঠিয় দিব পাৰিব আৰু দেশ চলাব। তেতিয়া হলে দেশৰ পৰা অন্যায় অত্যাচাৰ লুপ্ত পাব আৰু দেশত শান্তিৰ বিজয় পতকা উৰিব।

মৰমৰ দীপালি! শাস্ত্ৰজ্ঞানত কৈ বুদ্ধিহে শ্ৰেষ্ঠ আৰু নিজক নিচ বুলি ভবাটো মহাপাপ। সেই বুলি অহঙ্কাৰ নকৰিবা। অহঙ্কাৰীৰ দৰ্পচূৰ্ণ হয়। এইখিনিতে এটি কথা তোমাক উনুকিয়াই দিওঁ—মহৰ্ষি নাৰদে সদায় গৰ্ব্ব কৰিছিল তেওঁৰ বিনে শ্ৰেষ্ঠ গায়ক ত্ৰিভূৱনত নাই। কিন্তু এদিন এজন সাধাৰণ মানুহে নাৰদৰ ৰাগিনীত ভুল ধৰি পৰাজয় কৰে।

দীপালি! অসমীয়া ভাষাৰ উন্নতিৰ নিমিত্তে, সমূহ অসমীয়া জাতিৰ উন্নতিৰ বাবে সঙ্ঘবদ্ধ হৈ আগবঢ়া। সঙ্ঘবদ্ধতাৰ বলত অসাধ্য সাধন কৰিব পাৰিবা। সকলো শক্তিক সঙ্ঘবদ্ধ শক্তিৰ দ্বাৰাই পৰাজয় কৰিব পাৰিবা। অসমীয়া জাতি আজি অতীতৰ অসমীয়া জাতিৰ নিচিনা নহয়। সেই লাচিত, জয়মতী নাই। মই আশাকৰো তোমালোকৰ মাজত শত শত লাচিত, জয়মতীৰ ৰূপ-গুণত ৰূপান্তৰ হয় যেন। অতীতৰ সোণৰ অসম আকৌ

জ্বলি উঠে যেন।

আমাৰ সংগঠন শক্তি প্ৰখৰ। এতিয়া আমি অসীম বিপদৰ সন্মুখীন হৈ আহিছো। সকলো বিপদতে আমাৰ সমবেত শক্তিয়ে আমাক ৰক্ষা কৰি আহিছে। এতিয়া আমি আপ্ৰাণ চেষ্টাৰে শক্তিশালী সোণৰ অসম তথা ভাৰত গঢ়াৰ পথত প্ৰতি খোজে খোজে আগুৱাই যাব ধৰিছো। তোমাক এদিন মই কৈছিলো— "Dangar is the breath of my life" মই জন্মৰ পৰাই বিপদ আপদ আৰু নানা ঘাট প্ৰতিঘাটৰ মাজেৰেই আহিছো। মোৰ নিচিনাকৈ তুমি আহিব পাৰিবা নে ? ধৈৰ্য্য, একতা আৰু সাহ থাকিলে সকলো কামতে জয় লাভ কৰিব পাৰিবা।

দীপালী ! Style ও দেশ সেৱা কৰিব নাহিবা। দেশ সেৱা কৰা যাৰে তাৰে কাম নহয়। দেশ সেৱা কৰা মানুহৰ কেইটিমান বিশেষ গুণ থাকিব লাগে। সেই গুণ কেইটি হৈছে ধৈৰ্য্য সাহিষ্ণুতা দিয়া, মৰম, সাহ, আৰু ত্যাগ এই কেইটাগুণ যদি তোমাৰ গাত থাকে তেনেহলে তুমি ডাঙৰ নেতা হব পাৰিবা।

১৮৬৬ চনৰ জেনেভা কংগ্ৰেছত কাৰ্ল মাৰ্কসে কৈছিল-- নাৰী জাতিৰ পূৰ্ন মুক্তিৰ বাহিৰে ধনতন্ত্ৰৰ বিৰুদ্ধে, শোষনৰ বিৰুদ্ধে, শ্ৰমিক শ্ৰেণীৰ সংগ্ৰাম কেতিয়াও সফল হব নোৱাৰে। পৃথিবীৰ নিৰ্য্যাতিত আৰু শোষিত শ্ৰেণীৰ ভিতৰত নাৰীজাতি অন্যতম। মাতৃ প্ৰধান সমাজ লুপ্ত হোৱাৰ পিচৰ পৰা শ্ৰেণী

সমাজে যিদিনাৰ পৰা পিতৃ প্ৰধান সমাজ হৈ পৰিছে ; সেই দিনাৰ পৰা নাৰীজাতি পুৰুষৰ ক্ৰীতদাসত পৰিণত হৈছে। সমাজৰ ক্ৰমবিকাশৰ ইতিহাসত দেখা যায় শ্ৰেণীৰ আবিৰ্ভাৱ, ব্যক্তিগত সম্পত্তিৰ ( Private property ) আবিৰ্ভাৱ আৰু নাৰীৰ দাসত্বৰ সুচনা সমসাময়িক। বিপ্লবী মহানেতা লেলিনে নাৰীৰ মুক্তিৰ কাৰণে বহু কষ্ট কৰি গৈছে। সেইকাৰণে তোমা-লোকে নাৰীমুক্তি অভিযান চলোৱা। মোৰ মতে নাৰীজাতি কাৰো ব্যক্তিগত সম্পত্তি নহয়। তুমি এই সুৰৰ লগত সুৰ মিলাই বৰ্ত্তমান ধনীৰ দালালৰ পৰিচালিত মহিলাসমিতি খন চূৰমাৰ কৰি, নাৰীমুক্তি সঙ্ঘ পাতা।

মোৰ জীৱনীটো মই কাৰো আগত প্ৰকাশ কৰিবলৈ পৰা নাই ! লাহে লাহে বন্ধু সকলৰ আগত গল্পৰ আকাৰত কব ধৰিছো। চৰকাৰ ঘৰক যেনেকৈ " চূঙা চাই সোপা দিছো " ঠিক তেনেকৈ আমি বা মই বন্ধু সকলোকো ভাবি থাকো। কিয়নো আমি আমাৰ কমৰেডৰ ভিন্ন আন কাকো বিশ্বাস নকৰো। আমাৰ বিপক্ষবাদীবোৰক "যেনে গহে তেনে পুজা দিওঁ"। মই নিজে এতিয়া অনুভৱ কৰিছো। মোৰ স্বাস্থ্য লৈ—— মোৰ আগৰ শৰীৰ নাই। এতিয়া ৰুগীয়া হৈ পৰিছো। লাহে লাহে বিশাল সাগৰৰ বুকুত লীন হৈ যাব মাথোন বাকী। সেইকাৰণে মোৰ অবিহনে তুমি মোৰ অসমাপ্ত কাম কৰিবা। দীপালি ! মৰিলেও মই আশাৰ মৰিচিকা চকুত বান্ধিহে মাৰিম।

দীপালি! উঠা, জাগা, তৰুণ অসমক জগাই দিয়া, সৰ্ব্বহাৰা কৃষক-বন্ধুৱা. ছাত্ৰ ছাত্ৰী, নৰ-নাৰী সকলোকে সাজু কৰা। অন্যায় অবিচাৰ ভাঙি চূৰমাৰ কৰা। আকৌ চূৰমাৰ কৰা শোষণৰ মহাযন্ত্ৰটি। ৰবৰ সময় নাই, উঠা, জাগা, পৰিৱৰ্ত্তন কৰা জ্বলাই তোলা বিশ্বাসীৰ আগত তোমাৰ নাম। মনত ৰাখিবা গুণীৰ গুণ ৰূপত নহয় কাৰ্য্যতহে প্ৰকাশ পায়। জগতৰ প্ৰত্যেক কামৰ সফলতাই মানৱৰ চেষ্টা আৰু মনযোগৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে যি কোনো কামৰ বাবে নিৰাশ নহৈ, বাৰে বাবে চেষ্টা কৰিলে, সি যিমানেই ডাঙৰ বা শক্তিশালি কামেই নহওঁক তাক সুচাৰুৰূপে সমাধা কৰিব পাৰি। "ঘহনিত শিলও খহি যায়'। সেইকাৰণে হতাশ নহবা কিন্তু বহু ঠাইত বহুবাৰ হতাশ পাবা; তাৰ বাবে দুখ কৰি চেষ্টা এৰি নিদিবা।

তুমি অৱশ্যে তোমাৰ সমনীয়া বেছি ভাগতকৈ বহু কথা জানা। কিন্তু তুমি ভুল কৰা যেন লাগে। গতিকে কথা কবৰ সময়ত সদায় ভাল দৰে চাই চিন্তিহে কথা কবা দেই। সদায় সত্য কথা কবা। পেটত এক আৰু মুখত এক ভাৱ ৰাখি নকৰা। বেয়া বা টান কথা কৈ মানুহৰ মনত দুখ নিদিবা। এইটো কৰিলে তুমি জ্ঞানী হব নোৱাৰিবা। তুমি নিজে আনৰ পৰা যেনেকুৱা ব্যৱহাৰ পাবৰ ইচ্ছা কৰা আনকো তেনেকুৱা ব্যৱহাৰ কৰিবা।

আজি তোমালৈ ........................ ........................ *

* এইখিনি লিখাৰ পিচত দীপকে আৰু লিখিব নোৱাৰিলে।

১১।৬।৫০ ইং

মাননীয় শ্ৰীযুতা,...

আমাৰ মহান নেতাক মোৰ ঘৰত আপোনালৈ চিঠি লিখি থাকোতে পুলিছে গ্ৰেপ্তাৰ কৰিছে।

তেওঁ গ্ৰেপ্তাৰ হোৱা সময়ত তেওঁ আপোনালৈ লিখা খত খন মই বৰ সাৱধানে ৰাখিছো।

আমাৰ মাননীয় নেতা দীপকে সদায় নানা সংগঠন কামত লিপ্ত থাকিও যি ফেৰা সময় পাইছিল, তাক অনাহকতে খৰছ নকৰি সদায় নিয়মিতৰূপে কিতাপ পঢ়ি আৰু প্ৰবন্ধ লিখি কাল কটাইছিল।

গ্ৰেপ্তাৰ হোৱা সময়ত তেওঁৰ স্বাস্থ্য বৰ বেয়া আছিল। তেওঁ দেহালৈ লক্ষ্য কোনো দিনাই নকৰিছিল—লক্ষ্য কৰিছিল দেশৰ জনতালৈ।

আশা কৰো ভালপোৱাৰ চিন স্বৰূপে আপুনি তেওঁৰ অসমাপ্ত কৰ্ত্তব্য পালন কৰিব।

জয়হিন্দ।

আপোনাৰ অচিনাকি

"বিপ্লৱ বৈশ্য"

দৈনিক বাতৰি কাগজ— "ধনবাদী"ত প্ৰকাশ হোৱা দীপকৰ মূল কথা এটি ইয়াত তুলি দিয়া হ'ল।

"যোৱা ১১ জুনত বিখ্যাত পলাতক বিপ্লৱী নেতা শ্ৰীযুত সৰ্ব্বহাৰা বৈশ্যক অবিচাৰ গাওঁত পুলিছে গ্ৰেপ্তাৰ কৰিছে। তেওঁৰ বিপক্ষে ১০৯, ৩০২, ৪০৬, ধাৰাৰ কেইবাটিও 'কেচ' আছে।

—ঃ সামৰণি ঃ—

17125
LIBRARY

উজান বজাৰ গুৱাহাটী,
ভৱানী প্রেছত
শ্রীত্রৈলোক্যনাথ বৰ্ম্মাৰ দ্বাৰা
ছপা কৰা হল।